# আবৃত্তি ঃ সংজ্ঞা আৰু আবৃত্তিকাৰৰ গুণ

কোনো কবিতা বা গদ্যক যথাযথ স্বৰক্ষেপণেৰে, কবিতাত নিহিত হৈ থকা ভাৱ, ৰস, ছন্দ, তাল, লয় আদি ৰক্ষা কৰি বাংময়ভাৱে আৱেগপূৰ্ণভাৱে গাই যোৱাকে বা শ্ৰোতা দৰ্শকৰ সন্মুখত পৰিবেশন কৰাকে আবৃত্তি বোলে। আবৃত্তিকাৰে গদ্য বা কাব্যৰ গভীৰতাখিনি নিজে উপলব্ধি কৰি শ্ৰোতাৰ মনত সোমোৱাই দিবৰ বাবে ভাৱৰ সুসংহত ধ্বনিৰ সংগতিপূৰ্ণ প্ৰক্ষেপণৰ দ্বাৰা আবৃত্তি কৰে।

আবৃত্তিৰ আভিধানিক অৰ্থ হ'ল— মুখস্থ পাঠ, পুনঃ পুনঃ পাঠ। আবৃত্তি যিদৰে এক অধিগত বিদ্যা সেইদৰে ই এক প্ৰয়োগ শিল্পও। ইয়াক বাৰে বাৰে অনুশীলনৰ দ্বাৰা আয়ত্ত কৰিহে পৰিৱেশন কৰিলে আবৃত্তিকাৰ সফল হ'ব পাৰে। তাৰ বাবে আবৃত্তিকাৰৰ মূল হৈছে কেৱল কণ্ঠস্বৰ। কণ্ঠৰ উত্থান-পতন, কম্পন, গতিৰ তীব্ৰতা, মন্থৰতা আদিৰে ভাৱ সৃষ্টি কৰি আবৃত্তিকাৰে কবিতাক জনসাধাৰণৰ মাজলৈ লৈ যাব পাৰে। আবৃত্তি জ্ঞান বিস্তাৰৰো এটা প্ৰধান মাধ্যম। বেদৰ যুগৰপৰাই আবৃত্তিয়ে এই ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰাচীন ভাৰতত বেদক শ্ৰুতি বোলা হৈছিল। বেদৰ শ্লোকবোৰ আবৃত্তিৰ দ্বাৰাই জনসাধাৰণৰ মাজলৈ পঠন আৰু শ্ৰৱণৰ দ্বাৰা লৈ যোৱা হৈছিল।

আবৃত্তি সম্পৰ্কে এনেদৰে কোৱা হৈছে—

i) Recitation in a general sense in the act of reciting from memory or a formal reading of verse or other writing before an audience.

ii) The act or instance of saying something out loud.

iii) The act of sying something in a particular order.

কবিতা এটাক সাৰ্থক ৰূপত পৰিবেশন কৰিবলৈ হ'লে, আবৃত্তিকাৰে অত্যন্ত মনোযোগেৰে আগ বঢ়া উচিত। প্ৰথমেই তেওঁ নিজৰ বোধ, বুদ্ধি আৰু অনুভূতিৰে বিষয়ৰ লগত একাত্ম হৈ পৰিব পাৰিব লাগিব। তাৰ বাবে লাগিব পুনঃ পুনঃ পঠন আৰু গভীৰ নিষ্ঠা। আবৃত্তিৰ ৰসাস্বাদন তেতিয়াহে সম্ভৱ হয় যেতিয়া আবৃত্তিকাৰ আৰু

শ্ৰোতা উভয়ে সম্পূৰ্ণৰূপে প্ৰস্তুত হয়। মাইকেল মধুসূদন দত্তৰ মতে— "Let your friends guide their voice by the pause (as English blank verse) and they will soon swear that this is the noblest measure in the language. My advice is read, read and read. Teach your ears the new tune and then you will find out what it is."

দ্বিতীয়তে আবৃত্তি অনুশীলনৰ সময়ত আমি নিজৰ মন আৰু কাণ সজাগ ৰাখিব লাগিব। নিজৰ বিসংগতি নিজে ধৰা পেলাব জানিব লাগিব। তেতিয়াহে আমি সফল আবৃত্তিকাৰ হ'ব পাৰিম। তদুপৰি

১। আবৃত্তিকাৰ এজনে অবিৰত চৰ্চা কৰাৰ লগে লগে অধ্যয়নৰ প্ৰতিও মনোনিবেশ কৰা উচিত।

২। কাব্যৰ প্ৰতি আগ্ৰহ আৰু একাগ্ৰতা নিতান্তই প্ৰয়োজন।

৩। ধ্বনিতত্ত্বৰ জ্ঞান আয়ত্ত কৰা উচিত।

৪। অনুভৱ আৰু গভীৰ উপলব্ধিৰ প্ৰয়োজন।

৫। প্ৰক্ষেপণ শৈলীৰ জ্ঞান থাকিব লাগিব।

৬। স্বৰ বিভাজন আৰু স্বৰক্ষেপণৰ ক্ষেত্ৰত বিস্তৰ দখল থাকিব লাগিব।

৭। কবিতাৰ ৰস উদ্ধাৰ, ৰস গ্ৰহণ, ৰস-সঞ্চাৰৰ ওপৰত থকা দখল আৰু কাব্যৰ নান্দনিকতা উদ্ধাৰ কৰিব পাৰিব লাগিব।

৮। ছন্দ জ্ঞানো থাকিব লাগিব।

৯। তাল, স্বৰৰ ধাৰণা, বাক্য-বিন্যাসৰ জ্ঞান থকা উচিত।

১০। লোক-সাহিত্যৰ ক্ষেত্ৰতো অধ্যয়ন কৰা উচিত।

সকলোবোৰৰ সফল প্ৰয়োগৰ জ্ঞান আয়ত্ব কৰি লোৱা উচিত। কবিতা এটা নিৰস, নিষ্পন্দ অৱস্থাৰ পৰা ধ্বনিময় ৰূপ প্ৰদান কৰি শব্দ ব্ৰহ্মত পৰিণত কৰি সৰ্বসাধাৰণৰ মাজলৈ বা জনসাধাৰণৰ চেতনাৰ জগতলৈ লৈ যাব পৰাটোৱেই আবৃত্তিকাৰৰ সফলতা বুলি ভবা হয়।

সেয়েহে আবৃত্তিকাৰ এজনে ওপৰত উল্লেখ কৰা কথাখিনিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি চৰ্চা কৰা উচিত।

(৬) আবৃত্তিৰ দ্বাৰা কবিৰ সৈতে একাত্মীয়তা গঢ় লৈ উঠে; কিন্তু পাঠৰ জৰিয়তে তেনে সম্ভৱ নহয়।

(৭) আবৃত্তিয়ে কবিতাক জনমুখী কৰাত সহায় কৰে, পাঠে সেই একে ভূমিকা গ্ৰহণ কৰিব নোৱাৰে।

## আবৃত্তি সুন্দৰ আৰু যথাৰ্থ কেনেকৈ কৰিব পাৰি

আবৃত্তি সুন্দৰ আৰু যথাৰ্থ কৰিবলৈ হ'লে আমি কিছুমান কথা জনাটো অতি প্ৰয়োজনীয়। আবৃত্তি কৰিবলৈ যোৱাৰ সময়ত আমি আবৃত্তিৰ মূল উদ্দেশ্যৰ কথা মনত ৰখা উচিত। আবৃত্তিৰ মূল উদ্দেশ্য বুলি ক'লে উপস্থাপন কৰিবলৈ লোৱা বিষয়ৰ প্ৰাণ প্ৰতিষ্ঠা কৰা, ৰস সঞ্চাৰ কৰা আৰু ভাৱ প্ৰকাশ কৰা। তাকে কৰিবলৈ যাওঁতে আবৃত্তিকাৰে (১) কবিতাৰ ৰস অনুধাৱন কৰি কি দৰে ৰস সঞ্চাৰ কৰিব সেই কথা জানি লোৱাটো প্ৰয়োজন। (২) ৰস প্ৰকাশ কৰিবলৈ যাওঁতে আবৃত্তিকাৰে কিন্তু কণ্ঠস্বৰৰ ওপৰত গুৰুত্ব দিয়াটো অতি প্ৰয়োজন। লগতে মুখ মণ্ডলৰ অভিব্যক্তিও নুই কৰিব নোৱাৰি।

আবৃত্তি কৰোঁতে সুন্দৰ আৰু যথাৰ্থ নহ'লে এজন আবৃত্তিকাৰ সফল হৈছে বুলি ধৰিব নোৱাৰি। তাকে কৰিবলৈ যাওঁতে আবৃত্তিকাৰে কিছুমান আনুষঙ্গিক জ্ঞান আয়ত্ত কৰি লোৱাটো প্ৰয়োজন। আবৃত্তিৰ দ্বাৰা বিষয়ৰ প্ৰতিটো ধ্বনি শ্ৰোতাৰ কৰ্ণগোচৰ কৰা আৰু বিষয়টোৰ অৰ্থ, ভাৱ আৰু সৌন্দৰ্য আয়ত্তত শ্ৰোতাক সহায় কৰা। তাৰ বাবে আবৃত্তিকাৰে পাঁচোটা সূত্ৰৰ প্ৰতি মনোযোগ বিশেষভাৱে দিব লাগিব।

(১) সুস্পষ্ট উচ্চাৰণ।

(২) নিৰ্ভুল উচ্চাৰণ।

(৩) আবৃত্তিৰ স্বৰ।

(৪) বিষয়ৰ ভাৱ উপভোগত সহায়ক হোৱা।

(৫) আৱেগ সঞ্চাৰ কৰা।

(৬) প্ৰকাশভঙ্গী।

আবৃত্তিৰ এই বৈশিষ্ট্য ৰক্ষাৰ বাবে আবৃত্তিকাৰৰ গভীৰ অনুশীলনৰ প্ৰয়োজন।

### (১) সুস্পষ্ট উচ্চাৰণ ঃ

আবৃত্তিকাৰ বাক্যৰ প্ৰতিটো বৰ্ণৰ উচ্চাৰণ সম্বন্ধে, সজাগ থাকিব লাগিব। কিয়নো

বাক্যই আবৃত্তিৰ দেহ। সেই দেহক সজাই পৰাই তোলাতে আবৃত্তিকাৰৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে।

আবৃত্তিৰ মাজত আবৃত্তিকাৰৰ চিন্তা ভাবনাৰ পৰিচয় পোৱা যায়। আবৃত্তিৰ প্ৰতিটো স্বৰ পৰিৱৰ্তনৰ মাজত থাকে সজ্ঞান চিন্তন প্ৰক্ৰিয়া, আবৃত্তিৰ উদ্দেশ্য আনন্দ দানৰ লগতে শিক্ষাদান। সেয়ে আবৃত্তিকাৰে প্ৰতিটো শব্দ মাথোঁ নহয়, প্ৰতিটো বৰ্ণৰ উচ্চাৰণ ৰীতিৰ বিষয়ে জনাৰ প্ৰবৃত্তিত মনোনিবেশ কৰি উচ্চাৰণৰ স্পষ্টতা আনিব লাগিব। আবৃত্তিকাৰে নিজৰ কাণক সজাগ ৰাখি উচ্চাৰণৰ স্পষ্টতা সম্পৰ্কে জানিব পাৰে। জিভাই যাতে স্পষ্ট উচ্চাৰণ আনিব পাৰে তাৰ বাবে জিভাক নিয়ন্ত্ৰণত ৰাখিব লাগে। উচ্চাৰণৰ সময়ত প্ৰতিটো শব্দৰ গুৰুত্ব বুজি শব্দৰ শেষত একোটা ছেদ ৰাখি উচ্চাৰণ কৰিব লাগে। কিন্তু বাক্যশাৰীৰ গতিময়তাত যতি পৰিব নালাগে। দাড়ি, কমা আদিৰ ব্যৱহাৰে আমাক যি ইংগিত দিয়ে, সেই ইংগিতৰ প্ৰতি লক্ষ্য ৰাখি গতি, ছন্দ, সুৰৰ সুসংহত প্ৰয়োগেৰে বিৰতি স্থাপন কৰি একোটা বাক্য শ্ৰুতি মধুৰ কৰি তুলিব পাৰি। সাধাৰণতে একোটা বাক্য উচ্চাৰণ কৰোঁতে শেষৰফালে কণ্ঠস্বৰ মৃদু হৈ পৰি কেতিয়াবা শেষৰ শব্দটো ভালদৰে শ্ৰুতিগোচৰ নহয়।

হৃদযন্ত্ৰৰ কোনো অংশৰ দুৰ্বলতাৰ বাবে কেতিয়াবা অস্পষ্ট উচ্চাৰণ হ'ব পাৰে তাৰ বাবে ওঁঠ, জিভা আদিৰ ব্যায়ামৰ, কিছুমান যুক্তাক্ষৰ, দীঘলীয়া শব্দ খৰকৈ কিন্তু খোকোজা নলগাকৈ স্পষ্টভাৱে উচ্চাৰণ কৰাৰ অভ্যাস কৰিব লাগে। উদাহৰণ স্বৰূপে কিংকৰ্তব্যবিমূঢ়,ওতপ্ৰোত, প্ৰকৃততে, প্ৰত্যাহ্বান ইত্যাদি।

**২। নিৰ্ভুল উচ্চাৰণ ঃ**

যি ভাষাৰে কবিতা আবৃত্তি কৰিবলৈ লোৱা হয় সেই ভাষাৰ জ্ঞান আবৃত্তিকাৰৰ থাকিব লাগিব। কবিতা স্পষ্ট হয় শব্দৰ দ্বাৰা, সেই শব্দ হৈছে অক্ষৰৰ সমষ্টি। অসমীয়া ভাষাৰ স্বৰবৰ্ণবোৰৰ কোনো কোনোটোৰ দুটাকৈ ধ্বনি আছে। যেনে - অ-অ', এ-এ'। ধ্বনি উচ্চাৰণ শুদ্ধ নহ'লে অৰ্থৰ বিকৃতি ঘটে। আদিতে আৰ্য সকলে বৰ্ণক যিদৰে উচ্চাৰণ কৰিছিল, সেইদৰে সিহঁতক ভাগো কৰিছিল। বেদৰ মন্ত্ৰ উচ্চাৰণ সম্বন্ধে সংস্কৃত শাস্ত্ৰত নিয়ম প্ৰণালী বন্ধা আছে। আবৃত্তিৰ নিৰ্ভুল উচ্চাৰণৰ বাবে আবৃত্তিকাৰে নিজৰ ভাষাৰ প্ৰতিটো ধ্বনিৰ উচ্চাৰণৰ স্থান সম্বন্ধে জানি সঠিক উচ্চাৰণ কৰিব পাৰিব লাগিব। আবৃত্তিৰ সময়ত, ভুল মাত্ৰাত উচ্চাৰণ, অশুদ্ধ উচ্চাৰণ, ঃ ৰ উচ্চাৰণ নকৰা বা অযোগ্য স্থানত কৰা, বৰ্ণ-বিলোপ, সমাসৰ ভুল ব্যৱহাৰ আদিৰ বাবে শ্ৰোতা দৰ্শকে ৰসাস্বাদন কৰিব নোৱাৰে।

৩। **আবৃত্তিত স্বৰ ঃ**

মানুহে কথা কওঁতে স্বৰক্ষেপণৰ দ্বাৰা কয়, ঠিক সেইদৰে আবৃত্তিতো স্বৰ অতি প্ৰয়োজনীয়। আবৃত্তি কৰিবলৈ লওঁতে কবিতাৰ কোনফাকি কোন স্বৰত গাব লাগিব সেইটো জানি তাত সেইটো স্বৰ নিক্ষেপ কৰিব লাগে তেতিয়া আবৃত্তি শুৱলা হয়।

৪। **বিষয়ৰ ভাৱ উপভোগত সহায় কৰা ঃ**

এজন আবৃত্তিকাৰে এটা কবিতা আবৃত্তি কৰিবলৈ লওঁতে প্ৰথমে কবিতাটোৰ মূল ভাবটো বুজি ল'ব লাগে। তেতিয়াহে সেই ভাব আবৃত্তিকাৰে শ্ৰোতালৈ প্ৰেৰণ কৰিব পাৰে। যদি কবিতাৰ ভাব শ্ৰোতাই উপভোগ কৰিব নোৱাৰে তেন্তে আবৃত্তিকাৰ মূল লক্ষ্যত উপনীত হোৱা বুলি দাবী কৰিব নোৱাৰে। আবৃত্তিকাৰে কবিতাত থকা দাড়ি, কমা, চেমিকলন আদিৰ সুপ্ৰয়োগেৰেহে কবিতা এটা অৰ্থজ্ঞাপক কৰি তুলিব পাৰে।

৫। **আৱেগ সঞ্চাৰ কৰা ঃ**

কবিতা এটা আবৃত্তি কৰিবলৈ লওঁতে কবিতাটো সুন্দৰ আৰু যথাৰ্থ কৰিবৰ বাবে তাত আৱেগ সঞ্চাৰ কৰিব লাগিব। কবিতাটোত যদি ভাবৰ প্ৰকাশৰ লগে লগে আৱেগো সঞ্চাৰ কৰি যোৱা নহয় তেন্তে কবিতা আবৃত্তি সুন্দৰ আৰু যথাৰ্থ হোৱাৰো থল নাথাকিব। অস্পষ্টতা, জড়তা আদিয়ে ক্লান্তিকৰ পৰিৱেশৰ সৃষ্টি কৰে। সেয়ে আবৃত্তিত নাটকীয়তা, কৃত্ৰিমতা আদি আঁতৰাই অনুভৱৰ প্ৰাণ-সঞ্চাৰ কৰিব পাৰি। অৱশ্যে আবেগ যাতে নাটকীয় বা অতিনাটকীয় হৈ নপৰে কণ্ঠত যাতে কৃত্ৰিমতাই ঠাই নাপায়। তাৰ বাবে আবৃত্তিকাৰে বিশেষভাৱে লক্ষ্য ৰাখিব লাগিব। মনোভাৱৰ লগত কণ্ঠস্বৰৰ সম্বন্ধ অতি ঘনিষ্ঠ। সেয়ে আবৃত্তি কৰিবলৈ লোৱা পাঠ্যাংশ ৰস আৰু ভাৱৰ লগত সংগতি ৰাখি আবৃত্তিকাৰে আবৃত্তিত মনোনিবেশ কৰিব লাগে। মনোভাৱৰ বৈচিত্ৰ্যই কেতিয়াবা স্বৰস্তৰ ওপৰলৈ তোলে আৰু কেতিয়াবা তললৈ নমায়। কেতিয়াবা স্থায়িত্ব বঢ়ায় আৰু কেতিয়াবা কমায়। সেয়ে কবিতাৰ অন্তৰ্নিহিত ভাৱ। ভালদৰে বুজি লৈহে সেইমতে ৰস সঞ্চাৰ কৰি কবিতাৰ অন্তৰ্নিহিত ভাৱ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে শ্ৰোতা, দৰ্শকলৈ এনেভাৱে প্ৰেৰণ কৰিব যাতে তেওঁলোকো পাঠত থকা ৰস আৰু ভাৱেৰে আপ্লুত হয়।